জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৬৭/২০২০

# সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক, বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া নৰজিত দাস পাঠকৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৫ আগষ্ট ঃ** বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া, সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক আৰু বাহক নৰজিত দাস পাঠকৰ বিয়োগত  গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত নৰজিত দাস পাঠকে আমাৰ সাংস্কৃতিক আৰু আধ্যাত্মিক জগতলৈ যি অৰিহণা যোগাই গ'ল সেয়া সকলোৰে শ্ৰদ্ধাৰে স্মৰণ কৰিব। বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া হিচাপে ঐতিহ্যমণ্ডিত এই সত্ৰখনৰ  সৰ্বাংগীণ উত্তৰণৰ বাবে উল্লেখযোগ্য  অৱদান আগবঢ়াই যোৱা প্ৰয়াত নৰজিত দাস পাঠক কোচবিহাৰস্থিত ঐতিহ্যমণ্ডিত মধুপুৰ সত্ৰৰ পৰিচালনাৰ লগতো জড়িত আছিল। ৰাজ্যৰ বিভিন্ন প্ৰান্তত পালনামকে ধৰি  সত্ৰীয়া কলা-সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰ সাধনতো তেখেতে অৰিহণা যোগাই গৈছে। এইগৰাকী ডেকা সত্ৰীয়াৰ বিয়োগ ৰাজ্যখনৰ আধ্যাত্মিক তথা সাংস্কৃতিক জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত নৰজিত দাস পাঠকৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া নৰজিত দাস পাঠকৰ পৰলোকপ্ৰাপ্তিত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়েও গভীৰ শোক প্ৰকাশ কৰিছে। সত্ৰীয়া সংস্কৃতিৰ নিৰলস সাধক নৰজিত দাস পাঠকৰ বিয়োগ ৰাজ্যৰ আধ্যাত্মিক তথা সাংস্কৃতিক ক্ষেত্ৰৰ বাবে অপূৰণীয় ক্ষতি বুলি তেওঁ অভিহিত কৰে। মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে প্ৰয়াত নৰজিৎ দাস পাঠকৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ/ প্ৰঃকুঃবঃ**
**২৫/০৮/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in